# শেহতীয়া ভাৱে ইউক্রেইনত সংঘটিত হোৱা পৰিস্থিতি সন্দৰ্ভত প্ৰচাৰ মাধ্যমৰ এক প্ৰশ্নৰ সম্পৰ্কে আনুষ্ঠানিক মুখপাত্ৰ গৰাকীৰ সহাৰী ।

মে ০৭,২০১৪

ইউক্রেইনত সংঘটিত শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আনুষ্ঠানিক মুখপাত্ৰ গৰাকীক সাংবাদিকে সোধা এক প্ৰশ্নৰ সহাৰী জনাই তেওঁ কয় যে :

“ ওদেছাত শেহতীয়াকৈ কৰুনভাৱে বহুজনৰ প্ৰান হেৰুৱা ঘটনাৰ বাবে ইউক্রেইনৰ জনতাৰ প্ৰতি ভাৰতে  আন্তৰিকভাৱে শোকপ্ৰকাশ কৰিছে ।বৰ্দ্ধিত সংখ্যাত বাঢ়ি যোৱা হিংসাত্মক কাৰ্য্যকলাপৰ ঘটনাৰ দ্বাৰা ইউক্ৰইনৰ জটিলতা ক্ষীপ্ৰতাৰে বৃদ্ধিপোৱা ঘটনাৰ বাবে ভাৰত গভীৰ ভাৱে চিন্তাগ্ৰস্ত হৈছে ।ভাৰতে পুনৰ এবাৰ সকলো দিশৰ প্ৰতি হিংসা বৰ্জন কৰিবলৈ আৰু যিবোৰ  সমস্যাৰ সমাধানৰ পথৰ সম্পৰ্কে শেহতীয়া চুক্তিসমুহত উল্লেখ কৰা হৈছে আৰু সকলো সমস্যাৰ আইনগত গুৰুত্বতা বহন কৰা হৈছে সেইবোৰৰ জৰিয়তে সমস্যাৰ ৰাজনৈতিক আৰু কূটনৈতিক সমাধান বিচাৰিবলৈ আহ্বান জনাইছে ।”

নতুন দিল্লী

মে ০৭,২০১৪